**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-06-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত প্ৰায় ২৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। কামৰূপ জিলাত বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পৰিপ্ৰেক্ষিতত কালিৰে পৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা আৰম্ভ কৰা হৈছে।

শ্ৰীভূমি জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও এতিয়াও বহু লোক বানৰ কবলত পৰি শিবিৰত আশ্ৰয় লৈ আছে। বানৰ বাবে শ্ৰীভূমি জিলাৰ ২৭ টা সাহায্য শিবিৰত মুঠ ৭ হাজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে। চৰকাৰী সাহায্য শিবিৰৰ উপৰি জিলাখনৰ ভিন্ন স্থানত বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য সামগ্ৰী বিতৰণৰ কাম অব্যাহত আছে। অৱশ্যে জিলাখনৰ বহুস্থানত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হোৱাত বদৰপুৰৰ পৰা কাটিগড় সংযোগী ফেৰীসেৱা পুনৰ আৰম্ভ কৰা হৈছে।

কাছাৰ জিলাত বানৰ ফলত ২০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। এতিয়াও কমেও ৭০খন গাঁৱত পৰিস্থিতি স্বাভাৱিক হোৱা নাই আৰু শিলচৰৰ ২০টা আশ্ৰয় শিবিৰত ভালেসংখ্যক লোকে আশ্ৰয় লৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি উন্নত হৈছে। জিলাখনত বানৰ ফলত ৪৬খন গাঁৱৰ ১২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

শিৱসাগৰ, লখিমপুৰ, ধেমাজি, নগাঁৱকে ধৰি কেইবাখনো জিলাত নৈসমূহৰ জলপৃষ্ঠ বিপদসীমাতকৈ নিম্নগামী হোৱাৰ ফলত বান পৰিস্থিতি উন্নত হৈছে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০০০

ডিব্ৰুগড় ৰেডক্ৰ'ছ ছ'চাইটীৰ ৫৮ সংখ্যক মাহেকীয়া বৈঠক কালি ড° ৰোহিনীকান্ত বৰুৱা আইন মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই বৈঠকত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন যোগগুৰু জগদীশ ভৰালী ছ'চাইটীৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ছ'চাইটীৰ সদস্যা নীহাৰিকা শ্ৰুতিকৰ বেজবৰুৱাৰ স্মৃতিৰ সৰাপাত বুটলি শীৰ্ষক গ্ৰন্থখন বিশিষ্ট শিক্ষাবিদ, কবি সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই উন্মোচন কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই ৰেডক্ৰ'ছ ছ'চাইটীৰ কেইগৰাকীমান সদস্যক আজীৱন সদস্য পদৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰ-তেজপুৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত পথ দুৰ্ঘটনাত দুজন লোক থিতাতে নিহত হয়। কলিয়াবৰৰ উলুৱনী থানাৰ হাতীবন্ধাৰ সমীপৰ দলাপানীত তীব্ৰবেগী ট্ৰাক আৰু মটৰচাইকেলৰ মাজত খুন্দা লগাৰ ফলত মটৰচাইকেল আৰোহী দুজন থিতাতে নিহত হয়। নিহত

লোক দুজন ৰূপহীহাট থানাৰ অন্তৰ্গত আনাৰুল হক আৰু আছিকুল ইছলাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ঘটনা সংঘটিত কৰি ট্ৰাকখন পলায়ন কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণাঞ্চলৰ চন্দ্ৰভেটি গাঁৱৰ এটা পুখুৰীত পৰি কালি দুজন কিশোৰৰ মৃত্যু হয়। মৃত কিশোৰ দুজন ১৪ বছৰীয়া অজয় মণ্ডল আৰু ১৬ বছৰীয়া বিপুল মণ্ডল। অজয় নামৰ কিশোৰজন প্ৰথমে পানীত পৰিছিল আৰু পানীৰ পৰা  ভায়েকক বচাবলৈ ককায়েক বিপুলে মণ্ডলে চেষ্টা চলাইছিল। কিন্তু পুখুৰীৰ গভীৰতাত সোমাই ভাতৃদ্বয় মৃত্যুমুখত পৰে। ইয়াৰ পাছতে স্থানীয় লোকে পুখুৰীৰ পৰা দুয়োকে উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়ে যদিও বিশ্বনাথ অসামৰিক চিকিৎসালয়ৰ চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে।

০০০০০০০

শিৱসাগৰত কালিৰে পৰা ৱাটাৰ প'ল' খেলৰ ৰাজ্যিক বাছনি শিবিৰ অনুষ্ঠিত হৈছে। শিৱসাগৰ নগৰৰ সমীপৰ বাঢ়ৈটিঙত জিলা সাঁতোৰ সন্থাৰ উদ্যোগত আৰু অসম সাঁতোৰ সন্থাৰ তত্বাৱধানত অনুষ্ঠিত এই শিবিৰত কালি অসম সাঁতোৰ সন্থাৰ উপ-সভাপতি দেৱ হাজৰিকাই উদ্বোধন কৰে। এসপ্তাহ ধৰি চলিবলগীয়া এই শিবিৰৰ পৰা জুলাইৰ প্ৰথম ভাগত আহমেদাবাদ আৰু কলকাতাত অনুষ্ঠিত হ'বলগীয়া ৱাটাৰ প'ল' খেলৰ বাবে অসম দল নিৰ্বাচন কৰা হ'ব। ল'ৰা আৰু ছোৱালীৰ জুনিয়ৰ আৰু ছিনিয়ৰ দুটা শাখাৰ বাবে খেলুৱৈ নিৰ্বাচনৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা এই শিবিৰত গুৱাহাটী, তিতাবৰ, যোৰহাটকে ধৰি ৰাজ্যৰ ছখন জিলাৰ নিৰ্বাচিত ৪০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কালিৰে পৰা য়'নেস্ক ছানৰাইজ অ'পেন চতুৰ্থ সংখ্যক সদৌ অসম ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ডিব্ৰুগড় জিলা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাখনত ৫০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। কালি বিয়লি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

অসম ফুটবল সন্থাৰ উদ্যোগত আৰু ঢকুৱাখনা জিলা ক্ৰীড়া সন্থাৰ সহযোগত মাতমৰাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত অসম ৰাজ্যিক প্ৰিমিয়াৰ লীগ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বঙাইগাঁও এফ চিয়ে প্ৰৱেশ কৰিছে। কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত বঙাইগাঁও এফ চিয়ে গ্ৰীণভেলী গুৱাহাটী একাদশক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ হ'বলগীয়া ফাইনেল খেলখন ছয়গাঁও ফুটবল ক্লাব আৰু বঙাইগাঁও ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**